(ঙ) শংকৰোত্তৰ যুগৰ অংকীয়া নাটৰ বিশেষত্ব বিচাৰ কৰি 'সুভদ্ৰা হৰণ' নাটে এনেবোৰ বিশেষত্ব কিমানখিনি সামৰি লৈছে, আলোচনা কৰা।

(চ) মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন' নাটৰ মূল কি? নাটখনিৰ কাহিনীবিন্যাস আৰু চৰিত্ৰ সৃষ্টিত নাট্যকাৰৰ মৌলিকতা কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

★★★





**2019**

ASSAMESE

( Major )

Paper : 5.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) চাকিয়াৰ ভাৰতৰ কোনটো লোকনাট্যানুষ্ঠানৰ মুখ্য চৰিত্ৰ?

(খ) বিবাহৰ উদ্দেশ্যে শিশুপাল কুণ্ডিলত উপস্থিত হোৱাৰ বতৰা ৰুক্মিণীক কোনে প্ৰদান কৰিছিল?

(গ) 'অৰ্জুন ভঞ্জন' নাটৰ সামৰণিত থকা গীতটোৰ ৰাগৰ নাম উল্লেখ কৰা।

(ঘ) "সোহি ঋষিআজ্ঞা পালিয়ে হামু সন্নাস ধৰ্ম আচৰবো।" ইয়াত উল্লেখিত ঋষিগৰাকী কোন?

(ঙ) 'জন্মযাত্ৰা' নাটত উল্লেখিত বসুদেৱ-দৈৱকীৰ বিবাহত পৌৰহিত্য কৰা মুণিগৰাকীৰ নাম কি?

(চ) ‘বন্দুলি অধিক অধৰ কৰু কান্তি’—বন্দুলি আৰু অধৰ শব্দৰ অৰ্থ লিখা।

(ছ) ‘সংস্কৃত’ নাটত ভৰতবাক্য কোনে পাঠ কৰে?

২। *এটা* বা *দুটা* বাক্যত তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ২×৪=৮

(ক) মাধৱদেৱৰ নাট্যৰীতিৰ দুটা বিশেষত্ব উল্লেখ কৰা।

(খ) “যুৱত মোহিনী কন্যা পদুমিনী মাই।
কৈছে ৰহত এথা প্ৰয়োজন নাই।”

এই গীতফাঁকিত উল্লেখিত ‘পদুমিনী মাই’ কোন? ‘কৈছে ৰহত এথা’ বুলি কোনে, কাক কৈছে?

(গ) গোপালদেৱে ‘জন্মযাত্ৰা’ নাটৰ পৰিপূৰক হিচাপে ৰচনা কৰা নাটখন কি? দুয়োখন নাট ৰচনাৰ ক্ষেত্ৰত তেওঁ শঙ্কৰদেৱৰ কি গ্ৰন্থৰ ওপৰত নিৰ্ভৰ কৰিছে?

(ঘ) “হে পিতা স্বস্থ হৱ, তোহাৰ ব্যৱহাৰ নোহে নোহে।”

উক্ত কথাখিনি কোনে, কাক কৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো **তিনিছোৱা**) : ৫×৩=১৫

(ক) আৰকত কৰতল মাজিত লোৰে।
মন্দ ৰোদন কৰু নৱনীত চোৰে॥
নৱনীত কণা শ্যাম অংগে বিৰাজে।
তাৰকগণ যৈচে গগনকু মাজে॥

(খ) হে পৰম ঈশ্বৰ, তোহো পৰম কাৰণ, পৃথিৱীৰ ভাৰ হৰণ নিমিত্তে হামাৰ গৃহে বেকত ভেলি, দুষ্টক দণ্ডি সন্তক পালি ধৰ্মপথ ৰক্ষা কৰব॥





(গ) হৰি হৰি কিনা ভেলি ৰাজকুমাৰী।
কমল নয়ন পুৰি বাৰি জুৰাৱত
ঘন ঘন ফোকাৰে মূৰাৰি॥

(ঘ) আহে কংস নিশ্চল হামাক মাৰিতে চাৱ; তোহো অধোগতি যাৱব, দুখুনী দৈৱকীক ব্যৰ্থে হিংসা কৰহ, তোহাৰি প্ৰাণবৈৰী যি ঠাই সি ঠাই জনম ধৰয়॥

(ঙ) ষড়ৰস অন্ন বিছুৰি এৰূপ বিনাৰে ৰাম ভগিনী।
কমল নয়নী সুবদনীধুনী অলককুলশোভনী॥
মৌতিম দশনী মধ্যখিনী বাণী চৰণে নূপুৰ ধ্বনি।
যুৱজন মনমোহিনী ৰমণী তৰুণী গজগামিনী॥

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো **তিনিটা**) : ১০×৩=৩০

(ক) ‘অংকীয়া নাটৰ ভাষা’ শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(খ) নাটকৰ পঞ্চসন্ধি বুলিলে কি বুজা? ‘ৰুক্মিণী হৰণ’ নাটত পঞ্চসন্ধি কিদৰে দেখুৱাব পাৰি সেই সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(গ) ‘অৰ্জুন ভঞ্জন’ নাটৰ অন্য এটা নাম ‘দধিমথন’ যদিও নাটখনিৰ ‘অৰ্জুন ভঞ্জন’ নামটো কিয় অধিক গ্ৰহণযোগ্য, যুক্তিসহকাৰে বিচাৰ কৰা।

(ঘ) ‘জন্মযাত্ৰা’ নাটৰ আলমত গোপালদেৱৰ নাট্যকৃতি সম্পৰ্কে আলোচনা কৰা।